**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ২৪২/২০১৯**

## শোণিতপুৰত ব্যৱসায়িক এলেকাৰ ভূমিৰ শ্ৰেণী পৰিবৰ্ত্তন বাবে জিলা প্ৰশাসনৰ পদক্ষেপ

**তেজপুৰ ২৪ ডিচেম্বৰ ২০১৯ :-** শোণিতপুৰ জিলাৰ উপায়ুক্তই এক জাননী যোগে জিলাখনৰ সকলো ৰাজহ চক্ৰ আৰু পৌৰসভা এলেকা সমূহৰ প্ৰতিষ্ঠিত ব্যৱসায়ী আৰু প্ৰতিষ্ঠানক জনাইছে যে, যি সকল প্ৰতিষ্ঠিত ব্যৱসায় প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰীয়ে তেওঁলোকৰ ভূমিৰ শ্ৰেণী বৰ্ত্তমানলৈকে ব্যৱসায়ৰ ঠাইলৈ শ্ৰেণী পৰিবৰ্ত্তন কৰা নাই, তেওঁলোকৰ ভূমি ব্যৱসায় শ্ৰেণীলৈ পৰিবৰ্ত্তন কৰিবৰ বাবে সংশ্লিষ্ট চক্ৰ বিষয়াৰ কাৰ্যালয়ত এই জাননী প্ৰকাশ হোৱা তাৰিখৰ পৰা তিনিমাহৰ ভিতৰত আবেদন কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহবান জনাইছে। উল্লেখ্য যে, এই নিৰ্দ্ধাৰিত সময় পাৰ হোৱাৰ পিছত অসম ভূমি ৰাজহ আইন ১৮৮৬ ৰ নিৰ্দ্দিষ্ট ধাৰাৰ অধীনত জিলা প্ৰশাসনে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব ।